৭) বৈকুণ্ঠ নাথ ভট্টাচাৰ্যৰ পৰিচয় দি তেওঁৰ সাহিত্যকৃতিৰ মূল্যায়ন কৰা :

শংকৰ সূৰ্যই নানাবিধ ৰশ্মিজালেৰে অসমীয়া সাহিত্য জগতত কাব্যিক দিশ উদ্ভাসিত কৰি তোলাৰ প্ৰায় ১০০ বছৰ পিছত উদয় হয় আন এক প্ৰভাকৰ। তেঁৱেই হ'ল শংকৰোত্তৰ যুগৰ বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱ, যাঁৰ প্ৰতিভাৰে ভাস্বিত হৈ উঠে অসমীয়া গদ্যসাহিত্য। পোন প্ৰথমে, মহাপুৰুষ শংকৰদেৱে তেওঁৰ অংকীয়া নাটৰ সূত্ৰধাৰ আৰু নাটকীয় চৰিত্ৰৰ মুখত গদ্যৰ প্ৰয়োগ ঘটাই যুগান্তৰ আনয়নৰ প্ৰচেষ্টা চলালেও সম্পূৰ্ণকৈ একেখনি গ্ৰন্থ গদ্যত ৰচনা কৰাৰ গৌৰৱৰ ভাগী হ'ল ভট্টদেৱহে। দৰাচলতে, তেওঁৰ হাততে অসমীয়া গদ্যৰ শুভাৰম্ভ হয়।

ভট্টদেৱ স্বকীয় প্ৰতিভাৰ দ্বাৰা জিলিকি থাকিলেও তেওঁৰ জন্ম-মৃত্যুৰ সঠিক তাৰিখ কিন্তু পুৰণি পুথিত স্পষ্টকৈ পোৱা নাযায়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে নিৰ্দেশ কৰা ১৪৮৩ - ১৫৬০ শক অৰ্থাৎ ১৫৫৮ - ১৬৩৮ খ্ৰীষ্টাব্দৰ ভিতৰৰ সময়ছোৱাক ভট্টদেৱৰ জীৱনকাল বুলি ধৰি লোৱা হৈছে। সমালোচকৰ মতে, ভট্টদেৱৰ জন্মস্থান কামৰূপৰ বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰামত। তেওঁৰ পিতৃৰ নাম

চক্ৰৱৰ্তী । কিন্তু, নীলকান্ত দাসৰ 'দামোদৰ দেৱ চৰিত'ত পোৱা যায় বঙালী অঞ্চলৰ বিদ্যাকুচি নিবাসী কবি সৰস্বতী নামে এজন পণ্ডিতৰ দ্বিতীয় পুত্ৰ হ'ল বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য । এওঁ সময়ত নানা শাস্ত্ৰত পাৰ্গত হয়; বৰনগৰৰ ৰাইজে তেওঁক মাতি নি তেওঁৰ মুখে ভাগৱত শ্ৰৱণ কৰি 'কবিৰত্ন' উপাধি দিয়ে । ভাগৱতত অগাধ পাণ্ডিত্যৰ বাবে তেওঁ গোপাল মিশ্ৰৰ পৰা 'ভাগৱত ভট্টাচাৰ্য' বা ভাগৱত আচাৰ্য নাম পায় । পিতৃ পিতৃৰ আজ্ঞা মতে পাটবাউসীলৈ আহি দামোদৰদেৱত শৰণ লয় । দামোদৰদেৱে তেওঁৰ ভক্তি আৰু পাণ্ডিত্যত মুগ্ধ হৈ 'ভট্টাচাৰ্য' নাম দিলে । ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে তেওঁ দামোদৰ দেৱৰ অতি প্ৰিয় শিষ্য আছিল । এই দুই গুৰু শিষ্যই অনাবিল ভাগৱতী বৈষ্ণৱ ধৰ্মৰ অমৃতময় ৰসত পাপী-তাপী, আবাল-বৃদ্ধ-বনিতা সকলোকে আপ্লুত কৰি মুমূৰ্ষ অসমীয়া জাতিৰ প্ৰাণত সঞ্জীৱনী প্ৰবাহ বোৱাই দিয়ে ।

দামোদৰদেৱ কোঁচবিহাৰলৈ যাওঁতে যোগ্যতাৰ ফালৰ পৰা চাই ভক্তিভাজ কৃষ্ণদেৱক এৰি ভট্টদেৱকহে পাটবাউসী সত্ৰৰ ভাগৱতী পাতিছিল । ইয়াৰো এটা সুন্দৰ

কাহিনী পোৱা যায়। কাহিনীটো এনেধৰণৰ — দামোদৰ দেৱৰ অন্তিম সময়ত তেওঁ সুখাদ্য বস্তু সে দুলোকো ভোট বিহবলৈ মাতি পঠিয়াইছিল। তেতিয়া কৃষ্ণদেৱে -

" চিৰা লাৰু উত্তম অন্নবে দিলা।

ভট্টদেৱে সাতস্কন্ধ ভাগৱত কথা কৰি দিলা ॥"

দামোদৰদেৱে 'অন্তিমকালত ভৱৰোগৰ মহৌষধ - এই ভাগৱত শাস্ত্ৰই আমাৰ পৰম সুখাদ্য' — এই বুলি ভট্টদেৱৰ ভাগৱত গ্ৰহণ কৰিলে। ভট্টদেৱে দামোদৰ দেৱৰ জীৱনকালতেই 'কথা-ভাগৱত' আৰু 'কথাগীতা' ৰচনা সম্পূৰ্ণ কৰে। তেওঁ ব্যাসকুচি সত্ৰৰ প্ৰতিষ্ঠা কৰি তাত নিয়মিতভাৱে ভাগৱত ব্যাখ্যা কৰিছিল আৰু ছাত্ৰসালত ছাত্ৰ পঢ়ুৱাইছিল। এতিয়া, তেওঁৰ সাহিত্যকৃতিৰ বিষয়ে আলোচনা কৰা হওক :

সাহিত্যকৃতি : ভট্টদেৱে ৰচনা কৰা গ্ৰন্থসমূহ →

আখ্যানমূলক — নন্দোৎসৱ

অনুবাদমূলক — বিষ্ণু সহস্ৰ নাম

নাম প্ৰসংগমূলক পুথি — শ্ৰী শ্ৰী কৃষ্ণ লীলা কীৰ্তন আৰু প্ৰসংগ মালা

সংস্কৃত প্ৰৱন্ধন গ্ৰন্থ — ভক্তিসাৰ, ভক্তিবিবেক, সত্তনিৰ্ণয়, শৰণমালিকা

কথাবন্ধ — কথাগীতা, কথাভাগৱত আৰু কথা ৰত্নাৱলী ।

ভট্টদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল – কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলী ।

কথা-ভাগৱত :

চৰিত পুথিৰ মতে কথা-ভাগৱত আগৰ ৰচনা; পিছ আৰু কথা-গীতা ৰচনা হয়ে । পণ্ডিত গোস্বামীদেৱৰ মতে কথা-ভাগৱত ১৫৯৬ খৃষ্টাব্দমানত সম্পূৰ্ণ হয়; আৰু ইয়াক সম্পূৰ্ণ কৰোতে চাৰি বছৰমান লাগিছিল । ভট্টদেৱে কথা-ভাগৱতৰ দশম স্কন্ধত শংকৰদেৱৰ, 'আদি দশম' আৰু অনন্ত কন্দলীৰ 'শেষ দশমৰ' কথা উল্লেখ কৰিছে । ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে কথা-ভাগৱত ষোড়শ শতাব্দীৰ শেষ দশকৰ ৰচনা । অসমীয়া জাতিৰ গৌৰৱৰ স্থল হ'ল এই কথা-ভাগৱত গ্ৰন্থনৰ মূলতে আছিল তেওঁৰ গুৰু দামোদৰদেৱৰ অমূল্য উপদেশ আৰু প্ৰেৰণা । ভট্টদেৱে নিজে স্বীকাৰ কৰিছে :

" প্ৰভু দামোদৰৰ আজ্ঞায়ে মহাসন্ত ।
শ্লোক ভাঙ্গি ভাগৱত কথা কৰিলন্ত ॥
অবিবেকী স্ত্ৰী-শূদ্ৰ চণ্ডালে পঢ়য় ।
সংক্ষেপিয়া কথাছন্দ কেলা মহাশয় ॥

স্ত্ৰী, শূদ্ৰ, চণ্ডাল ... সকলোৰে অবিৰোধভাৱে পঢ়িব আৰু বুজিব পৰাকৈ অনুবাদ কৰাই ভট্টদেৱৰ উদ্দেশ্য আছিল। ভট্টদেৱৰ সাফল্যৰ মূলতে আছিল কথ্য ভাষাৰ ব্যৱহাৰ। কথাশিল্পী হিচাপে ভট্টদেৱৰ সুনিপুণ কলা-কৌশল, প্ৰকাশভংগী, শব্দচয়ন আদি ভাগৱতৰ জটিল তত্ত্বকেও চমুকৈ ব্যাখ্যা কৰাৰ প্ৰণালী অভিনন্দনযোগ্য। কথা ভাগৱতৰ কেইটামান বৈশিষ্ট্য হ'ল —

ক) ভট্টদেৱে শ্ৰীধৰ স্বামীৰ ভাগৱত ভাৱাৰ্থ-দীপিকাৰ আলোকত কথা ভাগৱতৰ অপূৰ্ব গদ্যটি সম্পূৰ্ণ কৰি তুলিছে।

খ) মূল ভাগৱত পুৰাণৰ অধ্যায় সমূহৰ আৰম্ভণিত অধ্যায়ৰ পৰিচয়সূচক কোনো কথা নাই যদিও কবিৰত্ন ভট্টদেৱে শ্ৰীধৰী টীকাৰ আলোকত প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে বিষয়বস্তুৰ আভাস দি গৈছে।

গ) প্ৰতিটো অধ্যায়ৰ শেষত শ্ৰীধৰী টীকাৰ হুঁত ৰচনা কৰা কৃষ্ণ মাহাত্ম্যসূচক শ্লোকৰ সংযোজন উল্লেখযোগ্য

ঘ) সংস্কৃত আৰু ঘৰুৱা শব্দৰ সুসমন্বয়েৰে চুটি চুটিকৈ লিখা শ্ৰী ভাগৱত কথাৰ বাক্যসমূহ জীয়ন্ত আৰু গতিশীল।

কথা-ভাগৱত লিখাৰ পিছত [illegible]

প্ৰণয়ন কৰে। কথা-ভাগৱতকৈ কথা-গীতাৰ ভাষা অধিক দুৰ্বোধ। ইয়াত সংস্কৃত শব্দৰ প্ৰয়োগ অনুপুংখীয়া। কথা-গীতাৰ প্ৰকাশভংগীৰ লগত আৰু ভাষাৰ সমন্বয় অতি আকৰ্ষণীয়। সেয়েহে সুবিধান কথোপকথন, প্ৰশ্নোত্তৰ আৰু তৰ্ক-বিতৰ্কৰে দিয়া হৈছে। সেই কাৰণেই ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছে :

> " কথা-গীতা পঢ়িলে এনেহে লাগে যেন আমাৰ এজন বাইবেল পণ্ডিতে যেন আমাক ভাগৱতীয়ে শ্লোক-বোৰ টীকাসহ ব্যাখ্যা কৰিছে।"

কথা-ৰত্নাৱলী :

সংস্কৃতত ৰচিত মূল কথা-ৰত্নাৱলী শ্ৰীমদ্ভাগৱত পুৰাণৰ ভক্তিৰ শ্লোকৰ সংকলন। অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ চাৰিখনি মূল পুথিৰ ভিতৰত কথা-ৰত্নাৱলী অন্যতম। ইয়াৰ প্ৰথম [illegible] কলাটি আচাৰ্য্যয় মহাপুৰুষ মাধৱদেৱে। কথা-ৰত্ন সম্পৰ্কে কোনো গৌৰৱৰ ভাগী হয় - ভট্টদেৱ। 'কথা-ৰত্নাৱলী' গ্ৰন্থত যে তেওঁ কথাগদ্যত ৰচনা কৰিছিল

... চৰিতকাৰ ৰামৰায়ৰ তলৰ বচনটোৰ সাৰা :

প্ৰভুৰ আজ্ঞায়ে, ঘৰ কন্যা এৰি, কথাৰূপ কৰিলন্ত গীতা, ৰত্নাৱলী কথাৰূপে তেহোঁ কৰিলন্ত বিৰচন॥

ৰত্নাৱলীৰ ভাষাও একেটা সাঁচতে ঢলা যদিও অধিক সাৱলীল। "গীতা কথা" আৰু "ভাগৱত কথা"ৰ পাছত "ৰত্নাৱলী কথা" ৰচনা কৰে। পাতিকে এই গ্ৰন্থ সম্ভৱতঃ সপ্তদশ শতিকাৰ দ্বিতীয় দশক মানত সম্পূৰ্ণ কৰে।

নাম প্ৰসংগ পুথি: প্ৰসংগমালা → প্ৰসংগমালা পুথিখনত দামোদৰীয়া সত্ৰসমূহৰ নাম প্ৰসংগৰ ক্ৰম আৰু পদ্ধতি সুন্দৰ সুশৃংখলভাৱে সন্নিবিষ্ট কৰা হৈছে। ভক্তকবিৰ অন্তৰ্নিহিত কৃষ্ণভক্তিৰ অনাবিল ফল্গুধাৰা অবিচ্ছিন্নভাৱে আদ্যোপান্তে পুথিখনত প্ৰবাহমান।

বিষ্ণুসহস্ৰ নাম: অসমীয়া পদত ৰচিত ভট্টদেৱৰ আন এখনি মনোৰম গ্ৰন্থ।

এইদৰে, অসমীয়া সাহিত্যজগতত নিজস্ব কৃতিত্বৰে ভট্টদেৱে এখন সুকীয়া আসন লাভ

A. কৰিবলৈ সক্ষম হৈছে। ভট্টদেৱে অসমী আইৰ কণ্ঠত গদ্য-পদ্যৰ যি কেইধাৰি মণি-মুক্তা খচিত

৪

সাতসৰী নিকামলে তাৰ আছি অনিৰ্বচনীয় সৌ

যাৰ্ডাতি মুগ্ধীয়া হৈ থাকিব ।

শেষত অৰ্জুনৰ তথাৰ প্ৰকাশিবৰ শক্তি তল

দিয়া নিদৰ্শনটিয়ে দাঙি ধৰিব —

" যদ্যপি তুমি সকলো পাপীতকৈ

অত্যন্ত পাপকাৰী হোৱা, তথাপি জ্ঞান

সমুদ্ৰক জ্ঞাননাৱে অনায়াসে তৰিবা ।

যেনে কাষ্ঠ সমূহক প্ৰজ্বলিত অগ্নিয়ে ভস্ম

কৰে তেমন জ্ঞানাগ্নিয়ে প্ৰাৰব্ধ বিনে

সকল কৰ্মক ভস্ম কৰে । "

— কথাগীতা, ৪ৰ্থ

অধ্যায়